# জিকিৰ

আজান ফকিৰ

ঘোষা ঃ রহমৰ গিৰিহঁত. তুমি আল্লা চাহাব ঐ
যদি কৰা দৰিয়াৰ পাৰ।।

চিন্তো হেৰা মোৰ মন আল্লাৰ নামত।
ভজো হেৰা মোৰ মন গুৰুৰে পাৱত।।
পানী মৰে পিয়াহত অগ্নি মৰে জাৰত।
খোদা ৰছুল লুকাই আছে মোমিনৰ আঁৰত।।
খোদা ৰছুল লুকাই আছে নকৰা বিচাৰ।
মক্কাৰ দুৱাৰত বান্দা মাৰিলা সঞ্চাৰ।।
মক্কাৰ দুৱাৰত চাহাব জীৱই মাৰে তালি।
যেনে শালে শ'লৰ লগত দৰিকাৰ টপালি।।
মক্কাৰ দুৱাৰত চাহাব তিৰ্বেণীৰ ঘাট।
বেহাব নোৱাৰে তাত মায়াই ভেটে বাট।।
আচমানৰ কুটুব তৰা আদমৰ জাত।
সজাত মইনা আছে ঘনে লগায় মাত।।
সজাৰ মইনাটিৰ অনেক যুগুতি।
দেও মাৰি পাৰ হ'লে এৰিলে পীৰিতি।।
দেও মাৰি পাৰ হৈ জীৱই আছে চাই।
চোৱা চোৱা জীৱসকল ভেলৰে বিলাই।।

**কৰি-পৰিচয় ঃ**

ইছলাম ধৰ্ম প্ৰচাৰ কৰিবলৈ বিদেশৰ পৰা অসমলৈ অহা ইছলাম ধৰ্মগুৰুসকলৰ ভিতৰত আজান ফকীৰ অন্যতম। তেওঁ অসমলৈ আহে, কোনোৰ মতে আৰব দেশৰ পৰা আৰু কোনোৰ মতে আজমীৰৰ পৰা। আজান ফকিৰৰ অসম আগমনৰ সময় সম্পৰ্কে নানান তথ্য পোৱা যায়। আনুমানিক খ্ৰীষ্টীয় সপ্তদশ শতিকাৰ মাজ ভাগত গদাধৰ সিংহৰ শাসন কালত অসমলৈ অহা আজান ফকিৰে কম সময়ৰ ভিতৰতে অসমীয়া মাত-কথা সুন্দৰকৈ শিকি, জিকিৰ আৰু জাৰী গীত ৰচনা কৰে। তেওঁৰ আচল নাম হজৰত শ্বাহ মিলন। জনশ্ৰুতি মতে আজান ফকিৰেই পোনপ্ৰথম অসমত 'আজান' (আহ্বান) দি নামাজ পঢ়িবলৈ মুছলমানসকলক শিকাইছিল বাবে তেওঁৰ নাম আজান ফকিৰ হয়। আজান ফকিৰৰ জীৱন বৰ সংঘাতপূৰ্ণ আছিল। অসমলৈ আহি তেওঁ বিভিন্ন শাস্তিৰো সন্মুখীন হ'ব লগা হৈছিল। পিচত আহোম ৰজা গদাধৰ সিংহই তেওঁৰ মাহাত্ম্য বুজি পাই দিখৌমুখৰ সৰাগুৰি চাপৰিত মাটি-বাৰী দি মছজিদ সজাই দিয়ে আৰু তাতে আজান ফকিৰে ছকুৰি ভকতৰ সৈতে ধৰ্ম চৰ্চা আৰম্ভ কৰে। তাতেই চাহাবৰ মৃত্যু হয়।

**পাঠবোধ ঃ**

অসমৰ বৈষ্ণৱ ধৰ্মৰ লগত আজান ফকিৰ চাহাবৰ প্ৰবৰ্তিত পন্থাৰ বহুতো সাদৃশ্য দেখা যায়। অনেক জিকিৰত বৈষ্ণৱ সাহিত্য আৰু লোকগীতৰ প্ৰতিধ্বনি শুনা যায়। এই গীতটিৰ ভাববস্তুৰ জৰিয়তে ধৰ্ম-বৰ্ণ নিৰ্বিশেষে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সমন্বয়ৰ ভাব গঢ়ি তুলিব পৰা যাব বুলি আশা কৰিয়েই গীতটি ইয়াত সন্নিবিষ্ট কৰা হৈছে। গীতটিৰ জৰিয়তে আল্লাৰ মাহাত্ম্যও প্ৰকাশ কৰা হৈছে। এই জগতত আমি মানুহবোৰ আচলতে কোন, আমাৰ স্থিতি কি, আমি কি কৰা উচিত, প্ৰকাৰন্তৰে তাকে ক'বলৈ বিচৰা হৈছে।

**শব্দাৰ্থ আৰু টোকা ঃ**

আচমান ঃ আকাশ।
আদম ঃ আদি মানৱ, আল্লাৰ সৃষ্ট প্ৰথম মানুহ।
কুটুব ঃ ধ্ৰুৱ নক্ষত্ৰ।
তিৰ্‌বেণী ঃ ত্ৰিবেণী। গংগা, যমুনা আৰু সৰস্বতীৰ সংগম স্থল, পৱিত্ৰ ঠাই।
দৰিয়া ঃ সাগৰ; নদী।
বেহাব ঃ বেপাৰ কৰিব।
মোমিন ঃ বিশ্বাসী, মুছলমান।
ৰছুল ঃ দেৱদূত, ঈশ্বৰ প্ৰেৰিত পুৰুষ, আল্লাৰ দূত।

ৰহম ঃ দয়া।

বান্দা ঃ ভৃত্য।

সঞ্চাৰ ঃ তলা; সঁচাৰ।

জিকিৰ ঃ জিকিৰসমূহ সাৱলীল অসমীয়া ভাষাত ৰচিত ইছলাম ধৰ্মৰ তত্ত্ব, আদৰ্শ আৰু আচাৰ-নীতিৰ মৌলিক ভাব-চিন্তা প্ৰকাশক কিছু সংখ্যক ভক্তিমূলক গীত। অসমীয়া থলুৱা ভাষাৰ লগতে আৰবী-পাৰ্চী মূলৰ শব্দও জিকিৰত অন্তৰ্ভুক্ত হৈছে। আজান পীৰে এই জিকিৰসমূহ ৰচনা কৰিছিল বুলি জনা যায়। জিকিৰ শব্দটো আৰবী 'জিক্ৰ' শব্দৰ অসমীয়া ৰূপ। ইয়াৰ অৰ্থ হ'ল ঘনে ঘনে উচ্চাৰণ কৰা। আল্লাৰ নাম বাৰম্বাৰ উচ্চাৰণ কৰি উপাসনাত আত্মনিয়োগ কৰাটো ইছলাম ধৰ্মৰ এক প্ৰচলিত নীতি। যিবোৰ গীতত সঘনে পৰম কৰুণাময় আল্লাৰ প্ৰতি আনুগত্য প্ৰকাশ কৰি তেওঁক উপাসনা কৰাৰ বিধানসমূহৰ লগতে ইছলাম ধৰ্মৰ মৌলিক নীতিসমূহো প্ৰকাশ কৰা হৈছে—তাকে জিকিৰ বোলে। জিকিৰসমূহত ইছলাম ধৰ্মৰ মূল ভাৱাদৰ্শ, কলিমাৰ মহত্ত্ব, ইহকাল আৰু পৰকালৰ কৰণীয় কৰ্তব্য, মানৱ জীৱনৰ ক্ষণস্থায়িত্ব, ব্যৱহাৰিক জীৱনৰ নানান উপাদেয় কথা ইত্যাদি প্ৰকাশ কৰা হৈছে। জিকিৰৰ দৰে জাৰী গীতসমূহো অসমীয়া ইছলাম সমাজত বহুলভাবে প্ৰচলিত। আজান ফকিৰ ৰচিত 'জিকিৰ আৰু জাৰী' গীতসমূহত শংকৰদেৱৰ দ্বাৰা প্ৰচাৰিত নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ পৰিছিল বুলি পণ্ডিতসকলে অনুমান কৰে। উজনি অসমত প্ৰচলিত বিভিন্ন লোকগীত যেনে—'টোকাৰী গীত', 'দেহবিচাৰৰ গীত' ইত্যাদিৰ সুৰৰ সৈতে 'জিকিৰ আৰু জাৰী' গীতৰ সুৰৰ সাদৃশ্য মন কৰিবলগীয়া। অসমীয়া গীতি-সাহিত্যৰ ইতিহাসত 'জিকিৰ আৰু জাৰী' গীতসমূহ হ'ল নজহা-নপমা এক অমূল্য সম্পদ।

## প্ৰশ্নাৱলী

**ভাব-বিষয়ক ঃ**

১। চমু উত্তৰ দিয়া ঃ

(ক) জিকিৰৰ ৰচক কোন?

(খ) জিকিৰবোৰক কিহৰ লগত তুলনা কৰিব পাৰি?

(গ) 'জিকিৰ' শব্দটো কি শব্দৰ পৰা ওলাইছে?

২। তলৰ শব্দবোৰৰ অৰ্থ লিখা ঃ

ৰছুল, মোমিন, ৰহম, কুটুব, বান্দা।

৩। 'মক্কাৰ দুৱাৰত চাহাব জীৱই মাৰে তালি।
যেনে শালে শ'লৰ লগত দৰিকাৰ টপালি।।'

— উল্লিখিত কবিতাফাকিৰ অন্তৰ্নিহিত ভাৱটি বিশ্লেষণ কৰা।

৪। ব্যাখ্যা কৰা ঃ

(ক) পানী মৰে পিয়াহত, অগ্নি মৰে জাৰত।
খোদা ৰছুল লুকাই আছে, মোমিনৰ আঁৰত।।

(খ) মক্কাৰ দুৱাৰত চাহাব তিৰ্‌বেণীৰ ঘাট।
বেহাব নোৱাৰে তাত মায়াই ভেটে বাট।।

(গ) সজাৰ মইনাটিৰ অনেক যুগুতি।
দেও মাৰি পাৰ হ'লে এৰিলে পীৰিতি।।

**ভাষা-বিষয়ক ঃ**

১। সমাৰ্থক শব্দ লিখা ঃ
চিন্তো, ঘাট, পীৰিতি, আচমান, দৰিয়া, পিয়াহ, বাট, ভেল।

●●●